**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::**

## Headlines

১। দেশত লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ লগে লগে নিৰ্বাচনী আচৰণবিধি বলৱৎ। বিধি মানি চলাৰ বাবে ৰাজ্য প্ৰশাসনলৈ নিৰ্বাচন আয়োগৰ কঠোৰ নিৰ্দেশনা। ৪ জুনত সকলো সমষ্টিৰ বাবে ভোটগণনা।

২। দেশৰ আন ৰাজ্যৰ লগতে অসমত ১৯, ২৬ এপ্ৰিল আৰু ৭ মে'ত  ৩ টা পৰ্যায়ত ভোটগ্ৰহণ।

৩। দেশত এইবাৰ লোকসভা নিৰ্বাচনত ২ লাখ ১৮ হাজাৰ শতায়ুগৰকা ভোটাৰে সাব্যস্ত কৰিব ভোট দানৰ অধিকাৰ। ৮৫ উৰ্ধৰ নাগৰিকে ঘৰৰ পৰাই দিব পাৰিব ভোট।

৪। লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ ওড়িশাত চাৰিটা পৰ্যায়ত, অৰুণাচল প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু ছিকিমত এটাকৈ পৰ্যায়ত বিধানসভা নিৰ্বাচন।

*আৰু*

৫। দিল্লীত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ ডেল্‌হি কেপিটেলছৰ সন্মুখীন।

০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ লগে লগে নিৰ্বাচনী আচৰণবিধি বলৱৎ কৰা হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে সকলো ৰাজনৈতিক দলকে নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে মানি চলিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত আয়োগে কেবিনেট সচিব, সকলো ৰাজ্যৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ লিখা এখন পত্ৰ প্ৰেৰণ কৰিছে। নিৰ্বাচনী আচৰণ বিধি ঘোষণা কৰাৰ লগে লগে কেন্দ্ৰ বা ৰাজ্যৰ শাসনত থকা ৰাজনৈতিক দলে ভোটাৰক প্ৰভাৱিত কৰাৰ উদ্দেশ্যে কোনো নীতি, আঁচনি আদি ঘোষণা কৰিব নোৱাৰিব। ইয়াৰ লগতে নিৰ্বাচনী কাম-কাজত নিয়োজিত বিষয়াৰ বাহিৰে কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা নিৰ্বাচনৰ সৈতে জড়িত আন ব্যক্তিৰ দ্বাৰা চৰকাৰী বাহন ব্যৱহাৰৰ ক্ষেত্ৰত পূৰ্ণ নিষেধাজ্ঞা থাকিব। চৰকাৰী খৰচত চৰকাৰৰ সাফল্য সন্দৰ্ভত বৈদ্যুতিন অথবা ছপা মাধ্যমত কোনো ধৰণৰ বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব বুলি আয়োগে স্পষ্ট কৰি দিছে। মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াসকলে নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পাছত চৰকাৰৰ সাফল্য প্ৰদৰ্শন কৰা যিকোনো বিজ্ঞাপন আঁতৰাবলৈ বা বন্ধ কৰিবলৈ ততালিকে ব্যৱস্থা কৰিব লাগিব। মুখ্য নিৰ্বাচনী বিষয়াসকলক ৰাজ্যৰ বিভিন্ন বিভাগৰ চৰকাৰী ৱেবছাইটৰ পৰা যিকোনো বিজ্ঞাপনৰ ফটো আঁতৰ কৰাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। ইয়াৰ লগতে নিৰ্বাচনী আচৰণ বিধি বলৱৎ হোৱাৰ লগে লগে শাসকীয় দলে কোনো অস্থায়ী নিযুক্তি বা ৰাজহুৱা চুক্তি কৰিব নোৱাৰিব।

আনহাতে, ৰাজহুৱা স্থানত থকা চৰকাৰী আঁচনিৰ বিজ্ঞাপনত থকা নেতা-মন্ত্ৰী আদিৰ ফটো ঢাকি দিব লাগিব। নিৰ্বাচন আয়োগে কৈছে যে, ৰাজহুৱা সম্পত্তি আৰু ৰে'ল ষ্টেচন, বাছ আস্থানৰ দৰে ৰাজহুৱা স্থানত

অনাধিকৃত দেৱাল লিখন বা পোষ্টাৰ-হোৰ্ডিং, বেনাৰ, পতাকাৰ ৰূপত প্ৰদৰ্শন কৰা ৰাজনৈতিক বিজ্ঞাপন ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব। একেদৰে নিৰ্বাচনৰ ঘোষণাৰ পৰা ৭২ ঘণ্টাৰ ভিতৰত ব্যক্তিগত সম্পত্তিত প্ৰদৰ্শন কৰা সকলো অনাধিকৃত ৰাজনৈতিক বিজ্ঞাপন আঁতৰ কৰিব লাগিব।

আয়োগে কৈছে যে, নিৰ্বাচন হʼবলগীয়া ৰাজ্য কেইখনত ৱেবছাইট আৰু কʼল চেণ্টাৰ আধাৰিত ওজৰ-আপত্তি নিষ্পত্তি ব্যৱস্থাৰ দিহা কৰা হʼব। এনে কল চেণ্টাৰৰ শুল্কবিহীন নম্বৰ হʼব ১৯৫০। নিৰ্বাচনৰ মূল কাম-কাজৰ প্ৰচাৰ কৰা হʼব আৰু ইয়াৰ বাবে ৰেডিঅʼ, টিভি, চিনেমা আৰু চৰকাৰী চেনেলৰ জৰিয়তে আৱশ্যকীয় তথা প্ৰচাৰ কৰা হʼব।

oooooooo

আসন্ন লোকসভা নিৰ্বাচনৰ কালি ঘোষণা কৰা সময়-সূচী অনুসৰি এইবাৰ সাতটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হʼব। ৪ জুনত ভোট গণনা কৰা হʼব। ১৯ এপ্ৰিলত প্ৰথম পৰ্য্যায়ৰ নিৰ্বাচনত ১০২ খন আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হʼব। দ্বিতীয় পৰ্যায়ত অহা ২৬ এপ্ৰিলত ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হʼব। একেদৰে, তৃতীয় পৰ্যায়ত ৭ মেʼত ৯৪ খন আৰু চতুৰ্থ পৰ্যায়ত ১৩ মেʼত ৯৬ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হʼব। পঞ্চম পৰ্যায়ত ২০ মেʼত ৪৯টা, ষষ্ঠ পৰ্যায়ত ২৫ মেʼত ৫৭টা আৰু পহিলা জুনত সপ্তম তথা অন্তিম পৰ্যায়ত ৫৭টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হʼব। নতুন দিল্লীত কালি নিৰ্বাচনী সময়-সূচী ঘোষণা কৰি মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, গুজৰাট, তামিলনাডু, পাঞ্জাব, তেলেংগানা, কেৰালা, হাৰিয়াণা, হিমাচল প্ৰদেশ, দিল্লী, মেঘালয় আৰু নাগালেণ্ডসহ ২২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত এটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হʼব। কৰ্ণাটক, ৰাজস্থান, মণিপুৰ আৰু ত্ৰিপুৰাত দুটা পৰ্যায়ত তথা ছত্তিশগড় আৰু অসমত তিনিটা পৰ্যায়ত নিৰ্বাচন আনুষ্ঠিত হʼব। ইয়াৰ বিপৰীতে মধ্যপ্ৰদেশ আৰু ঝাৰখণ্ডত চাৰিটা তথা মহাৰাষ্ট্ৰ আৰু জম্মু-কাশ্মীৰত পাঁচটা পৰ্য্যায়ত ভোটগ্ৰহণ কৰা হʼব। উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিম বংগত ৭টা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হʼব।

oooooooo

অসমৰ ১৪টা লোকসভা সমষ্টিত ৩টা পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন কৰা হʼব। প্ৰথম পৰ্যায়ত অহা ১৯ এপ্ৰিল, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিল আৰু তৃতীয় পৰ্যায়ত ৭ মেʼত ভোটগ্ৰহণ কৰা হʼব। প্ৰথম পৰ্যায়ত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰা হʼব। এই পৰ্যায়ৰ বাবে অহা ২০ মাৰ্চত অধিসূচনা জাৰি কৰা হʼব। মনোনয়ন দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ আৰু মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন ৩০ মাৰ্চ ধাৰ্য কৰা হৈছে। একেদৰে দৰং- ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ কৰা হʼব। এই পাঁচটা সমষ্টিৰ বাবে আয়োগে ২৮ মাৰ্চত অধিসূচনা জাৰি কৰিব। সমষ্টিকেইটাৰ বাবে ৪ এপ্ৰিলত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰাৰ লগতে ৫ এপ্ৰিলত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হʼব। প্ৰাৰ্থীসকলে ৮ এপ্ৰিলৰ ভিতৰত মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হʼব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। এই সমষ্টিকেইটাৰ বাবে ১২ এপ্ৰিলত অধিসূচনা জাৰি কৰা হʼব। ১৯ এপ্ৰিলত মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰাৰ লগতে ২০ এপ্ৰিলত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হʼব। ২২ এপ্ৰিলৰ ভিতৰত প্ৰাৰ্থীসকলে মনোনয়নপত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব।

ooooooooo

আসন্ন লোকসভা নিৰ্বাচনত শতায়ু গৰকা ২ লাখ ১৮ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নতুন দিল্লীত কালি নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে,  দেশত ৯৭ কোটি পঞ্জীকৃত ভোটদাতা আছে। তথ্য অনুসৰি ৮৫ বছৰ বা উৰ্ধৰ বয়সৰ ভোটদাতাৰ সংখ্যা হৈছে ৮২ লাখ। তেওঁ কয় যে, আয়োগে ৮৫ বছৰৰ ঊৰ্ধৰ ভোটদাতা আৰু দিব্যাংগসকলৰ বাবে ঘৰৰ পৰাই ভোটদানৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে আয়োগৰ ৱেবছাইটত পদ্ধতি অনুসৰি আৱেদন জনাব লাগিব। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে চাৰে ১০ লাখৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু এই কেন্দ্ৰসমূহত ডেৰ কোটিৰো অধিক নিৰ্বাচনী কৰ্মী নিয়োগ কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচনত ১ কোটি ৮২ লাখৰো অধিক ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। মুঠ ভোটদাতাৰ ৪৯ কোটি ৭২ লাখ পুৰুষ আৰু ৪৭ কোটি ১০ লাখ মহিলা। ২০ৰ পৰা ২৯ বছৰ বয়সৰ যুৱ ভোটদাতাৰ সংখ্যা হৈছে ১৯ কোটি ৭৪ লাখ। যুৱ ভোটদাতাৰ ক্ষেত্ৰত মহিলাৰ সংখ্যা বেছি। এইবাৰ নিৰ্বাচন প্ৰায় ৪৮ হাজাৰ তৃতীয় লিংগৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব।

শ্ৰীকুমাৰে কয় যে, ধনবল, বাহুবল, বিভ্ৰান্তিকৰ প্ৰচাৰ আৰু নিৰ্বাচন আচৰণ বিধিৰ উলংঘন আয়োগৰ বাবে বৃহৎ প্ৰত্যাহ্বান। আয়োগে এই প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ লৈছে বুলি মুখ্য আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, বাহুবলৰ ঘটনা ৰোধ কৰাৰ বাবে ভোটগ্ৰহণৰ দিনা ড্ৰ'ণৰ সহায় লোৱা হ'ব। তেওঁ লগতে কয় যে, নিৰ্বাচনত ৰক্তপাত আৰু হিংসাৰ কোনো স্থান নাই আৰু ভোটগ্ৰহণৰ সময়ত কোনো ঠাইৰ হিংসা সংঘটিত হ'লে আয়োগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। সুৰা, নগদ ধন, মাদক দ্ৰব্য আৰু অন্য প্ৰলোভনকাৰী সামগ্ৰীৰ বিতৰণৰ ঘটনা নিয়ন্ত্ৰণৰ বাবে বিধি বলবৎকাৰী সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে বুলি শ্ৰীকুমাৰে প্ৰকাশ কৰে। তেওঁ কয় যে, আয়োগে সংস্থাসমূহক অনলাইনযোগে নগদ ধনৰ হস্তান্তৰৰ ওপৰতো কঠোৰ দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিছে। আৱৰ্জনা ব্যৱস্থাপনা আৰু কাগজৰ ন্যূনতম ব্যৱহাৰ সুনিশ্চিত কৰি বহনক্ষম ৰূপত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে নিৰ্দেশ দিয়া বুলিও আয়োগে উল্লেখ কৰে। ১৬ জুনত বৰ্তমানৰ লোকসভাৰ কাৰ্যকালৰ সামৰণি পৰিব। দেশৰ মুঠ ৫৪৩ খন লোকসভা আসনৰ ভিতৰত ৮৪ খন অনুসূচিত জাতি আৰু ৪৭ খন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত।

ooooooooo

লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ দেশৰ চাৰিখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে দিন ঘোষণা কৰিছে। ওড়িশা, অৰুণাচল প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আৰু ছিকিমত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগতে কেইবাখনো ৰাজ্যৰ ২৬খন বিধানসভা আসনৰ বাবে আয়োগে উপ-নিৰ্বাচনৰ দিনো ঘোষণা কৰিছে। আয়োগে প্ৰকাশ কৰা মতে ওড়িশাত চাৰিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত ১৩, ২০, ২৫ মে' আৰু ১ জুনত ভোটগ্ৰহণ কৰা হ'ব। অৰুণাচল প্ৰদেশত ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। ৰাজ্যখনৰ ৬০খন বিধানসভা আসনৰ বাবে এটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। ছিকিম বিধানসভাৰ ৩২ খন আসনৰ বাবে ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। একেদৰে অন্ধ্ৰপ্ৰদেশৰ ১৭৫খন আসনৰ বাবে ১৩ মে'ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগে সদৰি কৰিছে।

ooooooooo

অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাই ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ বাবে নতুন নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি নৱম শ্ৰেণীৰ শিক্ষাৰ্থীসকলো পঞ্জীয়নো বাধ্যতামূলক হৈছে। উল্লেখযোগ্য যে, নতুন শিক্ষানীতি অনুসৰি এতিয়াৰে পৰা ছেবাৰ অধীনৰ বিদ্যালয়ত  অষ্টম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ লগে লগে সকলো শিক্ষাৰ্থীয়ে নাম পঞ্জীয়ন কৰাতো বাধ্যতামূলক কৰা হৈছে। অহা পহিলা এপ্ৰিলৰ পৰা অনলাইনে এই পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। পঞ্জীয়নৰ সময়ত শিক্ষাৰ্থীজনে পঢ়া বিদ্যালয়খনৰ ইউডাইচ কোডৰ প্ৰয়োজন হ'ব আৰু এই কোড শিক্ষা সেঁতু এপত ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰা হ'ব। বিদ্যালয়ৰ ইউডাইচ কোডৰ উপৰিও শিক্ষাৰ্থীয়ে অষ্টম শ্ৰেণীত লাভ কৰা আই ডি নম্বৰ আৰু অষ্টম শ্ৰেণীৰ মাৰ্কশ্বিটৰো প্ৰয়োজন হ'ব।

০০০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয়  অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০০০০০০০

দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ ডেল্‌হি কেপিটেলছৰ সন্মুখীন হ'ব।

ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে দিল্লীত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনত মুম্বাই ইণ্ডিয়ানছে ১৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৫ ৰান কৰে।

ডেল্‌হি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ভিতৰত ছখনত জয়লাভ কৰাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে চাৰিখন খেলতহে জয়ী হৈছে।

০০০০০০০০০

ভাৰতৰ লক্ষ্য সেন কালি অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত ইন্দোনেছিয়াত জোনাটন কৃষ্টিৰ হাতত ১২-২১, ২১-১০, ১৫-২১ গেমত পৰাজিত হয়। কৃষ্টি ফাইনেলত ইন্দোনেছিয়াৰ এণ্টনি গিংটিঙৰ সন্মুখীন হ'ব। গিংটিঙে কালি প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্সৰ কিষ্টো প'প'ভক ১৯-২১, ২১-৫, ২১-১১ গেমত পৰাভূত কৰে।

০০০০০০০০০

শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়খনৰ প্ৰয়াত ছাত্ৰ হিমাংশু গগৈৰ সোঁৱৰণত কালি শিৱসাগৰ নগৰৰ বৰ্ডিং খেলপথাৰত এখন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ শিক্ষক-কৰ্মচাৰীৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতাত গড়গাঁও মহাবিদ্যালয় দলে শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ক ৩-০ গলত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

০০০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণাৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। এই বাতৰিক **অসমীয়া খবৰ** কাকতে ১৯, ২৬ এপ্ৰিল, ৭ মে'ত অসমত ভোটগ্ৰহণ। **অসমীয়া প্ৰতিদিন** কাকতে ১৯ এপ্ৰিলৰ পৰা ৭টা পৰ্যায়ৰ দেশত ভোট, **দৈনিক জনমভূমি** কাকতে বিহুৰ পাছতহে নিৰ্বাচন, **নিয়মীয়া বাৰ্তা** কাকতে ৰঙালীৰ ৰঙতে ইলেকচন, **আমাৰ অসম** কাকতে বিহু গ'লেই ভোট, ৭টা পৰ্যায়ত ডেৰ মাহ ধৰি হ'ব ভোট, ৪ জুনত ফলাফল, **দ্যা ছেণ্টিনেল** কাকতে Lok Sabha poll in Assam on April 19, 26 and May 7, **দি আছাম ট্ৰিবিউন** কাকতে Assam to See 3 phase Lok Sabha Elections আদি ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি প্ৰকাশ কৰিছে। লোকসভাৰ সমান্তৰালভাৱে ৪ খন ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাতৰিয়েও আজিৰ কাকতসমূহৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে। নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতেই নিৰ্বাচনী আচৰণবিধি ৰূপায়ণৰ বাবে নীতি নিৰ্দেশনা জাৰি কৰাৰ বাতৰিও আজিৰ কাকতসমূহে প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছে। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে সংৰক্ষিত বনাঞ্চলত কামাণ্ডো বেটেলিয়ানৰো কাৰ্যালয় নিৰ্মাণত স্থগিতাদেশ জাৰি কৰাৰ বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ১ দশকৰ পাছতো জম্মু-কাশ্মীৰতো এইবাৰ নহয় বিধানসভা নিৰ্বাচন। এই শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে। কাকতখনে লগতে কাৰ্যকালো অন্ত পৰাৰ পিছতো নিৰ্বাচন অনুষ্ঠিত নকৰে ৩ স্বায়ত্ত শাসিত পৰিষদৰ। এই শিৰোনামেৰে আন এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অপৰাধমূলক ঘটনাৰ সৈতে জড়িত কোনো ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰিলে সংশ্লিষ্ট ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীগৰাকী সন্দৰ্ভত সকলো তথ্য ৰাজহুৱা কৰিব লাগিব বুলি উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ উদ্ধৃতিৰে দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত দিয়া বক্তব্যৰ বাতৰিক অসমীয়া খবৰ কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

**সমাপ্ত**